**জনসংযোগ, অসম** **চি এম পি আৰ চেল, প্ৰেছ বাৰ্তা ঃ ২৫৮**

# বিশিষ্ট ৰাজনীতিবিদ বিজিত শইকীয়াৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২ মে' ঃ** বিশিষ্ট ৰাজনীতিবিদ, অসম চৰকাৰৰ প্ৰাক্তন উদ্যোগ মন্ত্ৰী বিজিত শইকীয়াৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে বিশিষ্ট ৰাজনীতিবিদ গৰাকীয়ে আমাৰ সমাজ তথা ৰাজনৈতিক জীৱনত যি অৱদান আগবঢ়াই গ'ল সেয়া স্মৰণীয় হৈ ৰ'ব। অসম চৰকাৰৰ উদ্যোগ মন্ত্ৰী হিচাপেও তেখেতে অৱদান আগবঢ়াই গৈছে। আনহাতে প্ৰয়াত শইকীয়া ডাঙৰীয়াই বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ আমাৰ সমাজ জীৱনলৈ গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াই গৈছে। তেখেতৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি।

মুখ্যমন্ত্ৰীয়ে বিশিষ্ট ৰাজনীতিবিদ গৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

বঃভাঃ / পুঃডেঃ
২/৫/২০১৭